**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-10-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

স্বাস্থ্য বিভাগে আজি ৩ হাজাৰ ৬৯৮টা পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। চিকিৎসা শিক্ষা সঞ্চালকালয়, স্বাস্থ্য সেৱা সঞ্চালকালয় আৰু আয়ুষকে ধৰি স্বাস্থ্য বিভাগৰ অধীনৰ এই পদসমূহৰ ফলাফল ঘোষণাৰে স্বচ্ছ নিযুক্তিৰ ক্ষেত্ৰত আন এক মাইলৰ খুঁটি স্থাপন হ'ব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল কালি ঘোষণা কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত কালি ৫ হাজাৰ ৬১৪টা পদৰ ফলাফল ঘোষণা কৰা হয়। অসম আৰক্ষীৰ ইউ বি শাখাৰ কনিষ্টবলৰ এহেজাৰ ৬৪৫টা আৰু সশস্ত্ৰ কনিষ্টবলৰ দুহেজাৰ ৩০০টা পদৰ ফলাফল ঘোষণা কৰা হয়। অৱশ্যে সংশ্লিষ্ট পদৰ ফলাফলসমূহ ঘোষণা কৰিলেও গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন তিনিখন লেখ আৱেদনৰ শুনানিৰ ওপৰত নিযুক্তিৰ বিষয়টো নিৰ্ভৰ কৰিব। ন্যায়ালয়ৰ নিৰ্দেশনাৰ ভিত্তিত অসম আৰক্ষীৰ ২০২টা কনিষ্টবল পদৰ ঘোষণাৰ বিষয়টো সংৰক্ষিত ৰখা হৈছে। ন্যায়ালয়ৰ ৰায়দানৰ পাছতহে এই ফলাফলসমূহ প্ৰকাশ কৰিব পৰা যাব।

০০০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে আজি ৰাজ্যৰ ২৬ খন জিলাত পলিঅ' দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত ইতিপূৰ্বে পলিঅ' প্ৰতিষেধক গ্ৰহণৰ পৰা বাদ পৰি যোৱা সকলো শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হ'ব। আন জিলাৰ লগতে গোৱালপাৰা জিলাতো আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে পলিঅ' প্ৰতিষেধক প্ৰদান আৰম্ভ হৈছে। জিলা প্ৰতিষেধক বিষয়াই জনোৱা মতে, ৫ বছৰ বয়সৰ ভিতৰৰ মুঠ এক লাখ ৯৬ হাজাৰ শিশুক এই বিশেষ অভিযানৰ জৰিয়তে পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। জিলাখনৰ ৯১৯ টা কেন্দ্ৰত প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। আজি প্ৰতিষেধক প্ৰদানৰ পৰা বাদ পৰি যোৱা শিশুসকলক কাইলৈ আৰু পৰহিলৈ স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব বুলিও বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

মানকাচৰতো আজি পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হৈছে। জিলাখনৰ ৩২৮ টা স্থানত চলি থকা এই কাৰ্যসূচীত এহেজাৰ ৭৮ গৰাকী স্বাস্থ্যকৰ্মীয়ে প্ৰতিষেধক প্ৰদান কৰিছে।

০০০০০০০

কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰে কালি প্ৰেৰণ কৰা জনতাৰ শিল্পী জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদন গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দাখিল কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনে কৰা মৰণোত্তৰ পৰীক্ষা আৰু ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনৰ ভিত্তিত বিশেষজ্ঞ চিকিৎসকৰ দলে চূড়ান্ত প্ৰতিবেদন প্ৰস্তুত কৰিব।

শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই কালি গুৱাহাটীত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

শ্ৰীগুপ্তাই কয় যে, ছিংগাপুৰত যিহেতু অসম আৰক্ষীয়ে গৈ ঘটনাটোৰ তদন্ত কৰিব নোৱাৰে সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে থকা পাৰস্পৰিক আইনী সহযোগিতা চুক্তি অনুসৰি এই গোচৰৰ তদন্তৰ ক্ষেত্ৰত সহায়ৰ বাবে ছিংগাপুৰ প্ৰশাসনক ইতিপূৰ্বে অৱগত কৰাইছে। তেওঁ কয় যে, গৃহ মন্ত্ৰালয়ে ছিংগাপুৰৰ এটৰ্ণী জেনেৰেলক এই বিষয়ে সম্পূৰ্ণ ৰূপে অৱগত কৰোৱাৰ পাছত ছিংগাপুৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থাও গ্ৰহণ কৰিছে। ছিংগাপুৰত থকা ভাৰতীয় উচ্চ আয়োগৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি থকা হৈছে বুলিও তেওঁ কয়।

তদুপৰি জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১জন প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে ইতিমধ্যে চমন জাৰি কৰিছে আৰু ইয়াৰে ৰূপকমল কলিতা নামৰ লোকজন অসমত উপস্থিত হৈ আৰক্ষীক ভাষ্য দিছে বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে। আৰক্ষীয়ে চমন জাৰি কৰাৰ পাছতো তেওঁলোক অসমত উপস্থিত নহ'লে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি শ্ৰীগুপ্তাই প্ৰকাশ কৰে। ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীয়ে কৰণাৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে কোনো ব্যক্তিৰ অস্বাভাৱিক কাৰণত মৃত্যু হ'লে নাইবা হত্যাৰ সন্দেহ হ'লে ছিংগাপুৰত এই গোচৰ ৰুজু কৰা হয়।

০০০০০০০

মাজুলীৰ বনগাঁৱৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তী বৰ্ষ কাৰ্যসূচীৰ আজি সামৰণি পৰিব। ৩ দিনীয়াকৈ অনুষ্ঠিত এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে আন বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰত-অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিশাখাপট্টনমত হ'বলগীয়া খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। কলম্বোৰ আৰ প্ৰেমদাছা  ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক ৮৯ ৰানত পৰাস্ত কৰে। এই জয়েৰে ইংলেণ্ড প্ৰতিযোগিতাখনত একেৰাহে তৃতীয়খনত খেলত অপৰাজিত হৈ ৰয়। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰি শ্ৰীলংকাক ২৫৪ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ৪৫ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৪ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ইংলেণ্ডৰ হৈ ছফি এক্লেষ্টনে চাৰিটা উইকেট, নেট স্কাইভাৰ ব্ৰান্ত আৰু ছাৰ্লট ডিনে দুটাকৈ উইকেট সংগ্ৰহ কৰে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................